# অকণিৰ জাতক



ব্লগ অসম প্ৰকাশন

# অকণিৰ জাতক

# ধৰ্মৰ জয়

প্ৰাচীন কালত কাশী আৰু কোশল নামে দুখন ৰাজ্য আছিল।

কাশীৰাজ বৰ শান্তিপ্ৰিয় আৰু সকলো বিদ্যাত পাৰ্গত আছিল। দয়া, শান্তি, মৈত্ৰী প্ৰভৃতি গুণেৰে তেওঁ বিভূষিত আছিল। জাতি বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে কল্যাণ সাধন কৰি ৰাজ-ধৰ্ম পালন কৰাই আছিল তেওঁৰ উদ্দেশ্য।

এদিন কোশল ৰাজ্যৰ ৰজাই সৈন্য সামন্ত লগত লৈ কাশী ৰাজ্য আক্ৰমণ কৰিবলৈ আহিল। দূতৰ মুখে এই বাৰ্তা শুনি কাশীৰাজৰ এক হাজাৰ মহা যোদ্ধা বীৰে ৰজাৰ ওচৰলৈ গৈ ক'লে : অনুমতি দিয়ক মহাৰাজ, আমি তুৰন্তে কোশল ৰজাক বন্দী কৰোঁ।

তেতিয়া কাশীৰাজে তেওঁৰ সৈন্যসকলক এই কাৰ্যত লিপ্ত নহ'বলৈ বাধা দি ক'লে : সঁচাকৈয়ে যদি তেওঁলোকে ৰাজ্য আক্ৰমণ কৰিব খুজিছে কৰক, মোৰ কোনো আপত্তি নাই। কিন্তু তোমালোকে যাতে কাৰো অন্যায় নকৰা এয়াই মোৰ চিৰকাম্য।

ইতিমধ্যে কোশল ৰাজ্যৰ ৰজাই ৰাজ্যৰ সীমা অতিক্ৰম কবি ৰাজ্যত প্ৰবেশ কৰিলে। তাতো কোনো বাধা নাপাই ৰাজধানীত উপনীত হ'লগৈ।

কাশীৰজাৰ মহাযোদ্ধা বীৰসকলে কোশল ৰাজ্যৰ ৰজাক বন্দী কৰিবৰ বাবে পুনৰ আজ্ঞা বিচাৰিলে।

তথাপিতো কাশীৰাজৰ মন বিচলিত নহ'ল। তেওঁ বীৰসকলৰ কথা আওকাণ কৰিলে। বৰং তেওঁ ৰাজ-দুৱাৰ খুলি দি আনন্দ মনে সিংহাসনত বহি থাকিল।

কোশল ৰজাই সৈন্য-সামন্তৰে সৈতে ৰাজসভাত প্ৰবেশ কৰি কাশীৰাজ আৰু তেওঁৰ সৈন্যসকলক বন্দী কৰিলে। লগতে কোশলৰাজে আটাইকে

পিঠিয়া-পিঠিকৈ বান্ধি শ্মশানৰ গাঁতবোৰত পুতি থ'বলৈ নিৰ্দেশ দিলে, যাতে ৰাতি হ'লে শিয়াল-কুকুৰে আহি তেওঁলোকক খাই পেলায়।

কোশল ৰজাৰ অনুচৰবোৰে ৰজাৰ হুকুম মতেই কাশীৰাজ আৰু সকলো লোকক পিঠিয়া-পিঠিকৈ বান্ধি শ্মশানৰ গাঁতত দেহৰ আধালৈকে পুতি ৰাখিলে।

ইমান যমৰ যাতনা ভোগ কৰিও কাশীৰাজ অচল-অটল হৈ থাকিল। কোশল ৰজাৰ বিৰুদ্ধে অকণো খং ভাব নেদেখুৱালে। কেৱল তেওঁ সৈন্যসকলক ক'লে : বন্ধুসকলক, হৃদয়ত মৈত্ৰী স্থাপন কৰা। আন কোনো অহং মনোভাৱে যাতে হৃদয়ত স্থান পাব নোৱাৰে।

মাজনিশা এজাক শিয়াল নৰ মাংসৰ লোভত শ্মশান ওচৰত উপস্থিত হ'ল। শিয়ালবোৰক দেখি সৈন্যসকলে আতংকত চিঞৰি উঠিল। তেতিয়া শিয়ালবোৰে ভয় খাই পলাই গ'ল।

কিন্তু কিছুদূৰ গৈয়ে শিয়ালবোৰে কোনো বিপদৰ আশঙ্কা নেদেখি আকৌ শ্মশানলৈ উভতি আহিল। আগৰ দৰেই ৰজা আৰু সৈন্যবোৰে সজোৰে চিঞৰি উঠিল। সেইবাৰো ভয় খাই শিয়ালবোৰ পলাই গুচি গ'ল। এইদৰে বাৰে বাৰে পলাই গৈ শিয়ালবোৰে বুজি পালে যে এই মানুহবোৰে সিহঁতক একো কৰিব নোৱাৰে আৰু সিহঁতে এইবাৰ নিৰ্ভয়ে আগবাঢ়িল। দলৰ মুখ্য শিয়ালটো ৰজাক বধ কৰিবলৈ গ'ল।

উপায়বিহীন হৈ কাশীৰজাই শিয়ালক সমুখত দেখি ডিঙি পাতি দিলে। কিন্তু যেতিয়া শিয়ালে ৰজাক কামুৰিবলৈ মুখখন আগবঢ়াই দিলে তেতিয়া ৰজাই সজোৰে শিয়ালৰ ডিঙিত কামুৰি ধৰিলে।

শিয়ালে মৃত্যু যন্ত্ৰণাত চটফটাবলৈ ধৰিলে আৰু বিকট চিঞৰ মাৰিলে। সেই চিঞৰ শুনি আন শিয়ালবোৰ পলাই পত্ৰং দিলে।

কাশীৰাজে শিয়ালটোক এনেদৰে কামুৰি ধৰিছিল যে তাৰ দপ্‌দপ্‌নিত ৰজাৰ গাৰ চাৰিওকাষৰ মাটিবোৰ ছিটিকি দূৰত পৰিল। সেই কাণ্ড দেখি ৰজাই শিয়ালক এৰি দি সজোৰে নিজৰ শৰীৰেৰে বগুৱাবাই প্ৰথমে হাত দুখন মাটিৰ ওপৰলৈ উলিয়াই গাঁতৰ পৰা ওলাই আহিল। তাৰ পাছত সকলোবোৰ সৈন্যক এইদৰে গাঁতৰ পৰা উলিয়ালে।

এই শ্মশানতে অনেক নৰখাদক যক্ষ আছিল। প্ৰত্যেক যক্ষ শ্মশানৰ একোটি অংশৰ অংশীদাৰ আছিল। যাৰ অংশতে মৰাশ’ সেই জনেই ভক্ষণ কৰিব পাৰে।

সেইদিনা এটা মৰাশ’ দুজন যক্ষৰে মাটিৰ সীমাত থকাত সেই মৰাশ’ কোনজনৰ ভাগত পৰিব সিহঁতে স্থিৰ কৰিব নোৱাৰি দুইজন যক্ষই কাশীৰাজৰ ওচৰলৈ গ’ল আৰু কাশীৰাজক সেই মৰাশ’ ভাগ কৰি দিবলৈ অনুৰোধ কৰিলে।

কাশীৰাজে ক’লে : ঠিক আছে শ’ ভাগ কৰি দিম। কিন্তু মই অশুচি আৰু বৰ ক্ষুধাতুৰ। সেয়ে আগতে মোক স্নান কৰি কিছু আহাৰ খাবলৈ দে।

তেতিয়া দুয়োজন যক্ষই ৰাজপ্ৰসাদলৈ নি ৰজাক সুগন্ধী পানীৰে স্নান কৰিবলৈ দিলে। লগতে দিব্য-অস্ত্ৰ আৰু নানা ৰত্নখচিত অলঙ্কাৰেৰে সজ্জিত কৰি তুলিলে। তাৰ পাছত পঞ্চামৃত ভোজন কৰিবলৈ দি যক্ষই ক’লে : আপোনাৰ বাবে আৰু কি কৰি দিব লাগিব কওক।

কাশীৰাজে ক’লে : কোশল ৰজাৰ ৰাজপ্ৰাসাদৰ ভিতৰত মোৰ তৰোৱালখন আছে, সেইখন মোক আনি দে।

তৎক্ষণাৎ যক্ষই তৰোৱালখন আনি দিলে। সেই তৰোৱালেৰে কাশীৰাজে মৰাশ’ৰ মূৰটো দুভাগ কৰি যক্ষ দুজনক খাবলৈ দি ক’লে : তহঁতে মোক কোশল ৰজাৰ শয়ন কক্ষত থৈ আহিব লাগিব।

কাশীৰাজৰ কথামতেই যক্ষই তেওঁক কোশল ৰজাৰ শয়ন কক্ষত থৈ আহিলগৈ।

কোশলৰাজা সেই সময়ত গভীৰ টোপনিত নিমগ্ন হৈ আছিল। কাশীৰাজে লাহেকৈ কোশলৰজাৰ পেটত, তৰোৱালেৰে আঘাত কৰিলে। লগে লগে কোশলৰজা সাৰ পাই উঠিল।

চাকিৰ পোহৰত গভীৰ নিশা তেনে ৰূপত কাশীৰাজক দেখা পাই কোশলৰাজ আচৰিত হ'ল।

চাৰিওফালে সশস্ত্ৰ প্ৰহৰী! কক্ষৰ দুৱাৰ বন্ধ!! অথচ আপুনি হাতত তৰোৱাল লৈ ইয়ালৈ আহিল কেনেকৈ ?

কাশীৰাজে সম্পূৰ্ণ ঘটনা কোশলৰজাক বিৱৰি ক'লে।

এই ঘটনা শুনি কোশল ৰজাৰ মনত চেতনা জাগিল। তেওঁ অনুতপ্ত হৈ ক'লে, নিষ্ঠুৰ ৰাক্ষসেও আপোনাৰ মাহাত্ম্য বুজি পাই আপোনাকে সেৱা কৰি ধন্য হ'ল। অথচ মই মানুহ হৈও আপোনাৰ প্ৰতি এনে আচৰণ কৰিছো।

কোশল ৰজাই নানা কাকুতি মিনতি কৰি কাশীৰাজক সেই ৰাজশয্যাত শুবলৈ দিলে। আৰু নিজে এখন সামান্য শয্যাত শুই ৰাতিটো পাৰ কৰিলে।

ৰাতিপুৱা কোশল ৰজাই সৈন্য সামন্ত, ব্ৰাহ্মণ, গুৰু, ৰজা-প্ৰজা সকলোকে সমবেত কৰি কাশীৰাজৰ মাহাত্ম্য প্ৰকাশ কৰি পুনঃ তেওঁৰ ওচৰত ক্ষমা বিচাৰি ক'লে : মহাৰাজ আজিৰ পৰা এই ৰাজ্যৰ লগতে কোশল ৰাজ্যৰ ভাৰো আপোনাৰ ওপৰত অৰ্পণ কৰিলো।

কাশীৰাজে আনন্দিত হৈ কোশল ৰজাৰ সৈতে বন্ধুত্ব স্থাপন কৰি তেওঁৰ ৰাজ্য ঘূৰাই দি নিজ ৰাজ্যলৈ উভতি গ'ল।

**************

# অহঙ্কাৰৰ পৰিণাম

পুৰণি কালত বাৰানসীৰ ৰজা ব্ৰহ্মদত্তৰ ৰাজত্ব কালত বোধিসত্বই এবাৰ সিংহ ৰূপে জন্ম গ্ৰহণ কৰিছিল আৰু সিংহটোৰ বাসস্থান আছিল হিমালয় পৰ্ব্বতৰ তলৰ কাঞ্চন গুহাত। এদিন সিংহটোৱে আহাৰৰ সন্ধানত বাহিৰ ওলাল। কিছুদূৰ যোৱাৰ পিছত সিংহটোৱে এটা প্ৰকাণ্ড ম'হ দেখা পালে আৰু ততালিকে মাৰি তাৰ বছা বছা মঙহখিনি পেট ভৰাই খাই ওচৰতে থকা পুখুৰীটোলৈ নামি গৈ পুখুৰীৰ স্ফটিকৰ দৰে নিৰ্মল পানী পান কৰি পিয়াহ পলুৱালে। তাৰ পিছত নিজস্ব গুহালৈ উভতি গ'ল।

সেই সময়তে এটা শিয়ালে চিকাৰৰ সন্ধানত সেই ফালেই আহি আছিল। হঠাৎ সি ভয়ংকৰ সিংহটোৰ আগতে পৰি ভয়ত কলপাত কঁপাদি কঁপিবলৈ ধৰিলে যদিও পলকতে উপস্থিত বুদ্ধি উলিয়াই সিংহৰ ভৰিত দীঘল দি পৰিল।

সিংহৰূপী বোধিসত্বই প্ৰশ্ন কৰিলে : কিহে শিয়াল? কি বিচাৰিছা? কি লাগে তোমাক ?

শিয়ালে ক'লে : মইতো আপোনাৰেই ভৃত্য সেয়ে আপোনাৰ শৰণাগত হ'ব বিচাৰো।

: হ'ব বাৰু। তুমি মোৰ লগতে ব'লা, মোৰ লগতে থাকিবা। মোক ভালকৈ পৰিচৰ্য্যা কৰিব পাৰিলে তুমি মহাসুখেৰে থাকিব পাৰিবা। আৰু সদায় পেট পূৰাই মাংস খাবলৈ পাবা।

ইয়াৰ পিছৰে পৰা শিয়ালটোৱে সিংহৰ লগত কাঞ্চন গুহাত থাকিবলৈ ল'লে আৰু ভাল-ভাল মাংস খাবলৈ পাই কেইদিন মানৰ ভিতৰতে হাড়ে-ছালে লগা চেৰেলা শিয়ালটো তেনেই লোদোৰ-পোদোৰ হৈ পৰিল।

এদিন বোধিসত্বই শিয়ালক ক'লে : হেৰা শিয়াল মই এই গুহাতে থাকোঁ। তুমি পাহাৰৰ ওপৰলৈ যোৱা। পাহাৰৰ শিখৰত ৰৈ তাৰে পৰাই পাহাৰৰ তলেদি যোৱা নানান ধৰণৰ জন্তু তুমি দেখিবলৈ পাবা। তাৰে মাজৰ যিটো জন্তুৰেই মাংস খাবৰ মন যায় তুমি মোক আহি ক'বাহি যে, 'মই অমুক জন্তুটোক খাব বিচাৰো। আপুনি আপোনাৰ বীৰত্ব প্ৰদৰ্শন কৰক।' মই তেতিয়াই সেই জন্তুটোক বধ কৰি তাৰ মঙহ তোমাক আনি খুৱাম আৰু ময়ো খাম।

কথা মতেই কাম। সেই দিনাৰ পৰাই শিয়ালে নিতৌ পাহাৰৰ ওপৰত উঠি নানা ধৰণৰ জন্তু দেখে আৰু তাৰ যিটো জন্তুৰে মঙহ খাবৰ মন যায় সেই জন্তুটোৰ কথা তেতিয়াই লৰালৰিকৈ আহি বোধিসত্বৰ ভৰিত দীঘল দি পৰি সন্মান সহকাৰে কয় আৰু বোধিসত্বও ততালিকে গৈ সেই জন্তুটোৰ ডিঙিত কামোৰ মাৰি ধৰি তৎক্ষণাৎ লৈ আহে, লাগিলে সি বনৰীয়া ম'হেই হওক নাইবা উন্মত্ত হাতীয়েই হওক। তাৰ পাছত জন্তুটো বধ কৰি ভাল-ভাল অংশখিনি বাছি খাই বাকী ভাগ শিয়ালক দিয়ে।

এইদৰে সুখ সন্তোষৰ মাজেৰেই ভালেমান দিন পাৰ হ'ল। কিন্তু লাহে-লাহে শিয়ালৰ মনত অহংকাৰে দেখা দিলে। মূৰ্খ শিয়ালে ভাবিলে যে এই সিংহৰো চাৰিটা ঠেং আৰু মোৰো চাৰিটা ঠেং। এতেকে মইনো কিয় আক' লোকৰ ওপৰত ভৰসা কৰিব লাগে? মইতো নিজেই হাতী, ম'হ মাৰি খাব পাৰোঁ। তাৰ বাবে নো সিংহৰ ভৰিত পৰিব লাগে কিয় ? সিংহই যে হাতী বধ কৰে কেৱল "আপোনাৰ পৰাক্ৰম দেখুৱাওক" – মন্ত্ৰ ফাঁকিৰ বলত হে। ময়ো সিংহৰ হতুৱাই কোৱাম যে "আপোনাৰ পৰাক্ৰম দেখুৱাওক", আৰু তেতিয়া মই নিজে হাতী মাৰি খাব পাৰিম।

এইবুলি মনতে গুণা-গঁঠা কৰি শিয়ালে এদিন সিংহৰ ওচৰলৈ গৈ ক'লে : আপুনি বধ কৰা গাহৰি, হৰিণ আদিৰ মঙহ বহুত কাল ধৰি খালোঁ।

মই ভাবিছো এইবাৰ মই নিজেই এটা হাতী বধ কৰিম, আপুনি থকা কাঞ্চন গুহাতে মই সোমাই থাকিম, আপুনি মোৰ দৰেই পাহাৰৰ শিখৰলৈ গৈ তলেদি যোৱা বিভিন্ন জন্তু দেখি মোৰ আগত ক'বহি যে, "আপোনাৰ পৰাক্ৰম দেখুৱাওক", আৰু মই তেতিয়াই গৈ চিকাৰ কৰি আনিম। আশাকৰোঁ আপুনি মোৰ কথাত খং নকৰিব বৰং মোক অলপ সহায় কৰিব।

শিয়ালৰ মুখত এনে হোলোঙাৰে কাণ বিন্ধা কৰা কথা শুনি সিংহই ক'লে, : হেৰা অবোধ শিয়াল, হাতী চিকাৰ কেৱল সিংহই হে কৰিব পাৰে, শিয়ালে হাতী মৰা কথা ক'ৰবাত কেতিয়াবা শুনিছিলানে ? তোমাৰ মনত উদ্ভৱ হোৱা এই বলিয়ালিয়ে তোমালৈ ভয়ংকৰ বিপদ কঢ়িয়াই আনিব। মনৰ ইচ্ছা দমন কৰি মই গাহৰি, হৰিণ যিয়েই আনি দিওঁ তাকেই খাই সন্তুষ্ট থাকা।

কিন্তু সিংহৰূপী বোধিসত্বৰ হাক-বচন নামানি শিয়ালে তাৰ ইচ্ছা পূৰণ কৰিবৰ বাবে সি বোধিসত্বক খাটনি ধৰিলে। সি বাৰে বাৰে বোধিসত্বৰ ভৰিত ধৰি তাৰ আশা পূৰণৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তাক কোনো প্ৰকাৰে সৈমান কৰাব নোৱাৰি বোধিসত্বই তাৰ মনৰ আশা পূৰণ কৰিবলৈ সম্মত হ'ল।

পিছদিনা তেওঁ শিয়ালক কাঞ্চন গুহাত থাকিবলৈ কৈ নিজেই গৈ পাহাৰৰ শিখৰত ৰৈ জন্তু নিৰীক্ষণ কৰিব ধৰিলে। তাৰ পিছত এটা প্ৰকাণ্ড দতাঁল হাতী দেখি কাঞ্চন গুহালৈ ঘূৰি শিয়ালক প্ৰণাম কৰি ক'লে, : হে শিয়াল, মই এটা হাতী দেখি আহিছোঁ। আপোনাৰ পৰাক্ৰম দেখুৱাওক। শিয়ালে ততালিকে জাপ দি গুহাৰ পৰা ওলাই চাৰিওফালে বীৰদৰ্পেৰে চকু ফুৰালে। আৰু কেইটামান আটাহ পাৰি ভাবিলে, "মই গৈ পোনেই হাতীৰ মূৰতে পৰিম।"

— এইদৰে ভাবি চিন্তি সি এটা দীঘল জাঁপ মাৰিলে। কিন্তু জাঁপটো চুটি হোৱাত বেচেৰা শিয়াল গৈ হাতীৰ সম্মুখতে হামখুৰি খাই পৰিল। হাতীটোৱে ততালিকে শিয়ালৰ মূৰত তাৰ বিয়াগোম ভৰিটোৰে হেঁচা দিয়াত

লগে লগেই শিয়ালৰ মূৰৰ হাড় ভাঙি গুড়ি হৈ গ'ল। তাৰ পিছত আনটো ভৰিৰে তাৰ দেহাটো তেনেই চেপেটা কৰি অৱশেষত তাৰ ওপৰত মল ত্যাগ কৰি গুছি গ'ল।

বিবেচনাহীন অহংকাৰী শিয়ালটো তাতেই পৰি ৰ'ল।

****************

# যক্ষ আৰু সদাগৰৰ কাহিনী

অতি পুৰণি কালৰ কথা। সেই সময়ত বাৰাণসী নগৰত এজন সদাগৰৰ ঘৰত বোধিসত্বই জন্ম গ্ৰহণ কৰিছিল।

কালক্ৰমে বোধিসত্ব ডাঙৰ হ'ল। তেৰোঁ দেউতাকৰ দৰে বাণিজ্যত মনোনিৱেশ কৰিলে। তেওঁৰ পাঁচশ গৰুগাড়ী আছিল। সেই গাড়ীবোৰত সামগ্ৰী বোজাই কৰি তেওঁ দেশ-দ্বীপান্তৰে বাণিজ্য কৰি ফুৰে।

সেই সময়তে বাৰাণসীত আন এজন ধনী সদাগৰ আছিল। কিন্তু সেই সদাগৰজন আছিল মহামূৰ্খ আৰু অবিবেচক। পালি ভাষাত যাক কোৱা হয় "অনুপায়কূসল", অৰ্থাৎ তেওঁ কোন সময়ত কি কাম কৰা উচিত তাক নাজানিছিল।

এবাৰ বোধিসত্বই বহুদূৰ দেশত বাণিজ্য কৰাৰ বাবে যো-জা কৰাত লাগিল। এই কথা ইকাণ-সিকাণকৈ আনজন সদাগৰৰো কাণত পৰিলগৈ। সেয়ে তেৰোঁ সেই দেশলৈকে বাণিজ্য কৰিবলৈ ওলাল।

কিন্তু বোধিসত্বই ভাবিলে যে একে সময়তে দুয়োজনে বাণিজ্য কৰিবলৈ যোৱাতো ভাল নহব। কিয়নো দুয়োজনৰে মুঠ এক হাজাৰ গাড়ীৰ বোজাৰ প্ৰভাৱত ৰাস্তা-ঘাট নষ্ট হ'ব আৰু এক হাজাৰ মানুহসহ দুহাজাৰ বলদৰ বাবে খাদ্য দ্ৰব্য যোগান ধৰাটো কষ্টসাধ্য হ'ব ।

সেইকাৰণে বোধিসত্বই আনজন সদাগৰক মাতি আনি ক'লে : আমি দুয়োজন একে ঠাইলৈকে বাণিজ্যৰ বাবে একেলগে যোৱাটো ভাল নহ'ব। গতিকে তুমিয়েই কোৱাচোন তুমি আগতে যাবানে মই আগত যাওঁ ?

আনজন সদাগৰে ভাবিলে : আগতে যোৱাই ভাল। আগতে গ'লে ভাল ৰাস্তা-ঘাট পোৱা যাব; বলদৰ বাবে ঘাঁহ আৰু তেওঁলোকৰ বাবেও অপৰ্যাপ্ত

পৰিমাণৰ ফল-মূল তথা খাদ্য দ্ৰব্যৰ কোনো অভাৱ নহব। সেইবাবে তেওঁ প্ৰথমতে যাবলৈকে মনস্থ কৰিলে।

বোধিসত্বই পিছে ভালেই পালে। তেওঁ মনে মনে ভাবিলে : মই পিছত যোৱাটোৱে ঠিক হ'ব কাৰণ এই সদাগৰৰ গাড়ীয়ে ওখোৰা-মোখোৰা পথ সমান কৰি যাব; বলদবোৰে বুঢ়া ঘাঁহবোৰ খাই যোৱাৰ পাছত নতুন ঘাঁহ গজিব, আমি যথেষ্ট ফল-মূল পাম, ক'ৰবাত পানীৰ অভাৱ হ'লে তেওঁলোকে খান্দি থৈ যোৱা কুঁৱাৰ পৰা বিনাশ্ৰমে পানী পাম।

গতিকে আনজন সদাগৰে মাল-বস্তু বোজাই কৰি যাত্ৰা আৰম্ভ কৰিলে। কিছুদিন এইদৰে গৈ তেওঁলোক লোকালয়ৰ পৰা যথেষ্ট আঁতৰ হ'ল। তাৰপাছতে তেওঁলোকৰ পঞ্চকাণ্তাৰ ভিতৰুৱা পথেৰে যাত্ৰা আৰম্ভ হ'ল।

পঞ্চকাণ্তা কি জানা নে?

চৌৰ কাণ্তা – য'ত দস্যুৰ ভয়; ব্যালকাণ্তা - য'ত হিংস্ৰ জন্তুৰ উপদ্ৰৱ; নিৰুদক কাণ্তা - য'ত পানীৰ অভাৱ; অমনুষ্য কাণ্তা - য'ত মানুহৰ নাম-গোন্ধ পোৱা নাযায়, যি কেৱল ভূত-প্ৰেতৰহে আৱাসস্থল; অল্প ভক্ষকাণ্তা - য'ত সুখাদ্য পোৱা কঠিন।

তেওঁলোকে ক্ৰমে চৌৰকাণ্তা, ব্যালকাণ্তা অতিক্ৰম কৰি অমনুষ্য কাণ্তাত উপনীত হ'ল। এই কাণ্তা অতিশয় দূৰ্গম। শত কোটি যোজন দূৰতো এটোপা পানী পোৱা সহজসাধ্য নহয়। সেয়ে এই কাণ্তাত প্ৰৱেশ কৰাৰ আগতেই ডাঙৰ ডাঙৰ পানীৰ পাত্ৰবোৰত পানী ভৰাই গাড়ীত তুলি লোৱা হয়। সদাগৰেও তাকেই কৰিলে।

সেই সময়তে আমনুষ্য কাণ্তাৰ অধিপতি যক্ষৰাজে। তেওঁ ভাবিলে : এই মুৰ্খ সদাগৰজনক যদি কওঁ এই কাণ্তাত পানীৰ অভাৱ নাই, মিছাতেই তুমি পানীৰ এই বোজাবোৰ কঢ়িয়াই মৰিছা। তেতিয়াহ'লে তেওঁ গাড়ীৰ পৰা সকলোখিনি পানী পেলাই দিব। তেতিয়া নিৰুদক কাণ্তাইদি যাওঁতে মানুহ-গৰু

সকলোবোৰ পিয়াহত ক্লান্ত হৈ পৰিব। সেই সুযোগতে মই আনন্দমনে নৰমাংস ভক্ষণ কৰিব পাৰিম।

সেয়ে যক্ষৰাজে নৰমাংস ভোজনৰ নিমিত্তে এজন সুন্দৰ যুৱকলৈ ৰূপান্তৰিত হৈ সেই স্থানতে ৰৈ থাকিল। তেওঁ যেন এজন ৰজাহে, যাৰ মূৰত আছিল নীলা আৰু বগা পদুমৰ মালা। কিন্তু তেওঁৰ মূৰৰ চুলিবোৰ আছিল পানীত ভিজা। এই মায়াবীৰ লগত আছিল আন দহ-বাৰজনমান মায়াবী অনুচৰবৰ্গ। তেওঁলোকৰো মূৰৰ চুলিবোৰ ভিজা আছিল, তেওঁলোকেও ৰাজ আভৰণ পৰিধান কৰিছিল আৰু মুখেৰে পদুমৰ চকা চোবাই আছিল।

সদাগৰক দেখি মায়াবী যক্ষৰাজে সবিনয়ে ক'লে, মহাশয়, ক'ৰপৰা আহিছে ?

সদাগৰে ক'লে: আমি বাৰাণসীৰ পৰা আহিছো। পিছে, আপোনাৰ হাতে-মূৰে পদুমৰ মালা দেখোন; আপোনাৰ লগৰ কেইজনেও পদুমৰ চকা খাই আছে, আৰু সকলোৰে মূৰ-গা ভিজা। গাড়ীৰ চকাও বোকাৰে লুতুৰি- পুতুৰি। বাটত খুব বৰষুণ হৈছে নেকি ? আপোনালোক পদুম ফুল থকা সৰোবৰৰ কাষেদি আহিছে নেকি ?

মায়াবী যক্ষৰাজে উত্তৰ দিলে: মহাশয় আপুনি নাজানে নেকি? সেই যে সেউজীয়া অৰণ্য দেখিছে, তাত অহৰ্নিশে বৰষুণ হয়। বাটৰ দুয়োকাষে থকা সৰোবৰত পানী আছে। ৰাস্তাও ভাল। তালৈ যাব পাৰে। এইদৰে কথা পাতি পাতি দুয়ো বহু সময় কটাই দিলে।

যক্ষৰাজ আঁতৰি যোৱাত সদাগৰে ভাবিলে : বাটৰ কাষত যিহেতু পানী পামেই, গতিকে পানীৰ বোজা কঢ়িওৱাৰ প্ৰয়োজন কি ? বৰং এইবোৰ যদি পেলাই দিওঁ, তেতিয়াহলে বোজা কমিব আৰু গাড়ীও বেগাই চলিব।

সদাগৰৰ নিৰ্দেশক্ৰমে সকলো পানী পেলাই দিয়া হ'ল, গাড়ীৰ বোজাও কমিল। ফলত সকলোৰে আনন্দমনে যাবলৈ ধৰিলে।

কিন্তু কি আচৰিত, ক'ত সৰোবৰ আৰু ক'ত পদুম! অনেক দূৰ গ'ল, কিন্তু ক'তো পানীৰ চিন-চাব নেদেখিলে।

সূৰ্য অস্ত গ'ল। ক্ৰমে সন্ধিয়া হৈ আহিল আৰু আন্ধাৰত দিক্-বিদিক চিনিব নোৱাৰা হ'ল। যিমানে আন্ধাৰ হৈ আহিল সিমানে তেওঁলোকৰ ভোক-পিয়াহত প্ৰাণ যাওঁ-যাওঁ হ'ল। সেয়ে সদাগৰে বিশ্ৰামৰ বাবে এজোপা গছৰ তলতে শিবিৰ পাতিলে। সকলোৱে ভোক আৰু পিয়াহত তত নাপাই অৱশেষত টোপনিত লালকাল হৈ পৰিল।

ৰাতি দুপৰ হৈ আহিল। যক্ষৰাজে ৰাতি আহি ক্লান্ত মানুহ-গৰু সকলোকে বধ কৰি মহানন্দে সেই মাংস ভোজন কৰি গুচি গ'ল। কিন্তু তেওঁলোকৰ গাড়ী আৰু মাল বস্তুবোৰ তাতে পৰি থাকিল।

এই ঘটনাৰ দেৰমাহৰ পাছত বোধিসত্ত্বই সদলবলে বাৰাণসীৰ পৰা বাণিজ্যৰ উদ্দেশ্যে যাত্ৰাৰম্ভ কৰি নিৰুদক কাণ্ডত উপস্থিত হ'ল। তেওঁৰ নিৰ্দেশমতেই গাড়ীত ডাঙৰ ডাঙৰ পানীৰ পাত্ৰবোৰ নিয়া হৈছিল।

বোধিসত্ব সদলবলে অমনুষ্য কাণ্তাত উপস্থিত হোৱাৰ পাছত মায়াবী যক্ষৰাজ আহি বোধিসত্বৰ সম্মুখত উপস্থিত হ'ল।তেওঁক দেখি বোধিসত্বৰ মনত সন্দেহ উপজিল। বোধিসত্বই ভাবিলে: এই নিৰুদক কাণ্তাত ক'তো পানীৰ চিন-চাব নাই, অথচ এওঁৰ গাড়ীৰ চকাত বোকা লাগিল কেনেকৈ? মানুহজনৰ দেখোন চকু ইমান ৰঙা, দেহ উগ্ৰমূৰ্তিৰ আৰু ইয়াৰ ছাঁ মাটিত নপৰে কিয়? ই কেতিয়াও মানুহ হ'ব নোৱাৰে। নিশ্চয় ই ৰাক্ষস কিম্বা যক্ষ।

যেতিয়া যক্ষৰাজে বোধিসত্বক পানী পেলাই দিয়াৰ উপদেশ দিলে তেতিয়া বোধিসত্বই মহাক্ৰোধেৰে ক'লে : তুমি আঁতৰি যোৱা, স্ব-চকুৰে পানী নেদেখা পৰ্যাপ্ত এটোপা পানী নেপেলাওঁ।

সেয়ে যক্ষৰাজে বোধিসত্বক ঠগিব নোৱাৰিম বুলি ভাবি গুচি গ'ল। বোধিসত্বই আকৌ যাত্ৰা আৰম্ভ কৰিলে। কিন্তু তেওঁৰ লগৰবোৰে মনে-মনে

আলোচনা কৰিলে, যদি সঁচাকৈয়ে সৰোবৰ আছে আৰু ধাৰাসাৰে বৰষুণ দি আছে; তেনেহ'লে পানীৰ এই বোজা কঢ়িয়াই লাভ কি?

তেতিয়া বোধিসত্বই গাড়ীবোৰ ৰখাই তেওঁলোকক ক'লে: মৰুভূমি সৰোবৰ থকাৰ কথা তোমালোকে কেতিয়াবা শুনিছা নেকি ?

সকলোৱে একমুখে ক'লে: কেতিয়াও শুনা নাই। ইয়াত পানী পোৱা নাযাব কাৰণেই ইয়াৰ নাম নিৰুদক কাণ্ডা।

বোধিসত্বই আকৌ সুধিলে, ক'ৰবাত বৰষুণ হ'লে কিমান দূৰৰ পৰা শীতল বতাহ পোৱা যায় ?

লগৰীয়াবোৰে উত্তৰ দিলে : ক'ৰবাত বৰষুণ হ'লে এক যোজন আঁতৰৰ পৰাই ঠাণ্ডা অনুভৱ কৰা হয়।

: শীতল বতাহ তোমালোকৰ গাত লাগিছে জানো ? – বোধিসত্বই সুধিলে।

: নাই লগা।

: বৰষুণ অহাৰ সম্ভাৱনা থাকিলে কিমান দূৰৰ পৰা মেঘ দেখা যায়?

: এক যোজন আঁতৰৰ পৰাই।

: আকাশত তোমালোকে মেঘ দেখিছা জানো ?

: নাই দেখা।

: বিজুলীৰ চমকনি কিমান দূৰৰ পৰা দেখা যায়?

: চাৰি-পাঁচ যোজন দূৰৰ পৰা।

: তোমালোকে আজি আকাশত বিজুলীৰ চমকনি দেখা পাইছা জানো?

: নাই।

: কিমান দূৰৰ পৰা মেঘৰ গাজনি শুনা যায়?

: দুই-এক যোজন দূৰৰৰ পৰাই।

: আজি তোমালোকৰ মেঘৰ গৰ্জন কৰ্ণগোচৰ হৈছে নেকি ?

: নাই হোৱা ।

বোধিসত্বই তেতিয়া ক'লে : সেই মানুহজনে কৈ যোৱা সকলো কথা মিছা। আচলতে সি মানুহ নহয়, নৰখাদক যক্ষহে। মিছা কথা কৈ মানুহক হত্যা কৰি মাংস খোৱাই ইয়াৰ একমাত্ৰ উদ্দেশ্য।

ইমান সময় আমি ইয়াত থকাটো উচিত হোৱা নাই। তুৰন্তে ইয়াৰ পৰা গুচি যোৱাই ভাল। কিন্তু পানী হ'লে এটোপাও নেপেলাবা।

তৎক্ষণাৎ তেওঁলোকে দ্ৰুতবেগে গাড়ী চলালে। কিন্তু ক'তো এটোপা পানীৰ সন্ধান নাপালে। হঠাতে প্ৰথমজন সদাগৰৰ গাড়ীবোৰ দেখি বোধিসত্বই ক'লে : দেখিছা সেই মূৰ্খ সদাগৰ যক্ষৰ কবলত পৰি নিহত হ'ল। আজি আমি ইয়াতেই জিৰণি লওঁ। তোমালোকে গৰুবোৰ খুলি আহাৰৰ যোগাৰ কৰা।

পাছদিনা পুৱা সোনকালে উঠি বোধিসত্বই নিজৰ বেয়া গাড়ীবোৰ সলনি কৰি আনজন সদাগৰৰ গাড়ীবোৰ লৈ মূল্যৱান বস্তুবোৰ সংগ্ৰহ কৰিলে।

তাৰ পাছত গন্তব্যস্থানত উপনীত হৈ সকলো বস্তু বেচি অজস্ৰ ধন লৈ নিজৰ দেশলৈ উভতি আহিল।

*****************

# জল-ৰাক্ষস

অতি পুৰণি কালৰ কথা। সেই সময়ত বাৰাণসী ৰাজ্যৰ ৰজা আছিল ব্ৰহ্মদত্ত। ব্ৰহ্মদত্তৰ দুটি পুত্ৰ সন্তান আছিল। বোধিসত্বই তেওঁৰ জ্যেষ্ঠ সন্তান হিচাপে জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ নাম ৰখা হৈছিল মহিংসাস-কুমাৰ। দ্বিতীয় পুত্ৰৰ নাম আছিল চন্দ্ৰকুমাৰ।

শৈশৱ কালতে মহিংসাসকুমাৰ আৰু চন্দ্ৰকুমাৰ মাতৃ স্নেহৰ পৰা বঞ্চিত হয়। সেয়ে ব্ৰহ্মদত্তই ফুলকুমলীয়া পুত্ৰ দুটিৰ পালনৰ বাবে দ্বিতীয় বিবাহ কৰাব লগীয়াত পৰে। যথা সময়ত দ্বিতীয় ৰাণীৰো এটি পুত্ৰ জন্ম হ'ল। তেওঁৰ নাম সূৰ্যকুমাৰ ৰখা হ'ল।

পুত্ৰ জন্ম হোৱাত ৰজাই দ্বিতীয় ৰাণীৰ মন সন্তোষ লগোৱাৰ মনেৰে ক'লে : মই বৰ সুখী হ'লো। তোমাৰ ল'ৰাৰ বাবে যি বৰ লাগে খোজা, মই দিবলৈ ৰাজী আছোঁ।

ৰাণীয়ে ক'লে : মই সময়ত ক'ম।

তিনিওজন ল'ৰাই একেলগে বিদ্যাশিক্ষা আৰু খেলাধুলা কৰি ডাঙৰ হ'ল। তিনিওজনৰ খুব মিলাপ্ৰীতি। কোনেও কাকো নেদেখিলে থাকিব নোৱাৰে। এই মৰম স্নেহৰ মাজতে তিনিও ক্ৰমে ডাঙৰ হৈ আহিল।

অতীতৰ বৰৰ কথা সোঁৱৰাই দি এদিন ৰাণীয়ে ৰজাক ক'লে : মহাৰাজ, আজি মোক সেই বৰটো প্ৰদান কৰক আৰু সেই বৰৰ মতে বৰৰ মতেই সূৰ্যকুমাৰক যুৱৰাজ পাতিব লাগে।

ৰাণীৰ কথা শুনি ৰজাৰ মূৰত আকাশীস্বৰগ ভাগি পৰিল। ৰজাই ক'লে : ই কেনেকৈ সম্ভৱ হ'ব ? জ্যেষ্ঠ পুত্ৰক এৰি কণিষ্ঠ পুত্ৰক ৰাজ্য দিয়া অসম্ভৱ। কিন্তু ৰাণী কোনোপধ্যেই মান্তি নহ'ল। যেনেদৰেই হওক তেওঁৰ পুত্ৰক ৰাজ্য দিবই লাগিব।

অৱশেষত ৰাণীয়ে মহাক্ৰোধেৰে সতিনী পুত্ৰৰ কেনেকৈ অনিষ্ট কৰিব পাৰে তাৰে উপায় চিন্তিবলৈ ধৰিলে কিয়নো তেওঁলোক থাকে মানে ৰজাই সূৰ্যকুমাৰক যুৱৰাজ নাপাতিব। সেয়ে এদিন ৰাণীয়ে মহিংসাসকুমাৰ আৰু চন্দ্ৰকুমাৰক মাতি আনি ক'লে : তোমালোক বনলৈ যোৱা। শাস্ত্ৰমতে তোমালোকেই এই ৰাজ্য পাবা। কিন্তু আমাৰ মৃত্যুৰ পাছতহে এই ৰাজ্যৰ অধিকাৰী হ'ব পাৰিবা।

মাহীমাকৰ আজ্ঞা মতেই মহিংসাস্যকুমাৰ আৰু চন্দ্ৰকুমাৰ বনবাস খাটিবলৈ ৰাজ্যৰ বাহিৰ হ'ল। কিন্তু সূৰ্যকুমাৰো তেওঁলোকৰ লগতে গ'ল।

বহুদূৰ বাট অতিক্ৰম কৰি তিনিওজন ভাই ককাই গৈ হিমালয় পৰ্ব্বতত উপনীত হ'ল। বহুদূৰ খোজ কঢ়াত তেওঁলোকৰ বৰ-ভাগৰ লাগিল। সেয়ে মহিংসাসে সূৰ্যকুমাৰক ক'লে : আমি এই গছজোপাৰ তলতে জিৰণি লওঁ। তুমি তৎক্ষণাৎ সৌ সৰোবৰত স্নান কৰি পদুমৰ পাততে আমাৰ বাবে পানী লৈ আহাগৈ।

লগে লগে সূৰ্যকুমাৰে পানী আনিবৰ বাবে সৰোবৰলৈ বুলি খোজ ল'লে। সেই সৰোবৰত এটা জলৰাক্ষসে বাস কৰিছিল। সেই ৰাক্ষসক তেওঁৰ প্ৰভুৱে সৰোবৰৰ পানীত নমা সকলোকে ভক্ষণ কৰাৰ অনুমতি দিছিল। কিন্তু মাত্ৰ এটা চৰ্ত আছিল, যিয়ে "দেৱ ধৰ্ম কি ?" এই প্ৰশ্নৰ উত্তৰ জানে সেইজনক ৰাক্ষসে ভক্ষণ কৰিব নোৱাৰে।

সূৰ্যকুমাৰে সৰোবৰত নামি পানী সংগ্ৰহ কৰিব খোজোতেই জলৰাক্ষসে প্ৰশ্ন কৰিলে : দেৱ ধৰ্ম কি ?

মানুহে সূৰ্য আৰু চন্দ্ৰকে দেৱতা বুলি কয়, আৰু এয়ে হ'ল দেৱধৰ্ম : সূৰ্যকুমাৰে ক'লে।

জলৰাক্ষসে তেতিয়া ক'লে : তুমি দেৱ ধৰ্ম কি নাজানা গতিকে তুমি মোৰ ভক্ষ্য। এইবুলি ৰাক্ষসে সূৰ্যকুমাৰক সৰোবৰৰ তলিত বন্দী কৰি ৰাখিলে।

পানী লৈ ঘূৰি অহাত পলম হোৱাত চন্দ্ৰকুমাৰে ভাতৃৰ সন্ধান কৰি সৰোবৰ পালেগৈ। ৰাক্ষসেও তেওঁক একেই প্ৰশ্ন কৰিলে। কিন্তু দেৱধৰ্ম কি ইয়াৰ সঠিক উত্তৰ চন্দ্ৰকুমাৰৰ ওচৰতো নাছিল। গতিকে জলৰাক্ষসে তেওঁকো সূৰ্যকুমাৰ লগত সৰোবৰ তলিত বন্দী কৰি থ'লে।

এইবাৰ মহিংসাস নিজে সৰোবৰলৈ গ'ল। জলৰাক্ষসে দেৱধৰ্মৰ বিষয়ে সোধাত মহিংসাসে ক'লে, দেৱধৰ্ম কি, শুনা :

"প্ৰকৃততে স্থিৰ মন, সত্যপৰায়ণ,
পবিত্ৰ অন্তৰে কৰে ধৰ্ম সাধন,
কুভাৱ, কুচিন্তা মনত কদাপি নহয়,
সেইজনেই দেৱধাৰ্মিক জানিবা নিশ্চয়।"

জলৰাক্ষসে এই উত্তৰত পৰম সন্তোষ পাই ক'লে : ধন্য ধন্য ! মই অতি প্ৰসন্ন হ'লো। তোমাৰ দুই ভাতৃ মোৰ বন্দী। তাৰে এজন ভাতৃক মই ঘূৰাই দিম। কোনজনক লাগে কোৱা ?

মহিংসাসে ক'লে : সৰুজন ভাইকে দিয়া।

জলৰাক্ষসে বিস্মিত হৈ ক'লে : কি আচৰিত ! তুমি দেৱধৰ্ম জানিও সেই ৰূপে কাম কৰা নাই। ডাঙৰ ভাইক এৰি সৰু ভাইকহে বিচাৰিছা ?

মহিংসাসে ক'লে : দেৱধৰ্ম মতেই মই কাম কৰো। সৰু ভাই মোৰ মাহীমাৰ ল'ৰা। আমাৰ বাবেই তেওঁ ৰাজসুখ ত্যাগ কৰি বনবাস পালন কৰিছে। যদি মই দেশলৈ উভতি গৈ কওঁগৈ তাক ৰাক্ষসে খালে, সেই কথা কোনেও বিশ্বাস নকৰিব। আমি নিন্দাৰ পাত্ৰ হ'ম। সেয়ে মোক সৰুজন ভাইকে দিয়া।

জলৰাক্ষসৰ মহিংসাসৰ প্ৰতি শ্ৰদ্ধা জন্মিল, তেওঁ ক'লে : তোমাৰ দেৱধৰ্মৰ জ্ঞান আৰু ব্যৱহাৰ দেখি মই আপ্লুত হ'লোঁ। তোমাৰ দুয়ো ভাইকে মুক্ত কৰি দিলোঁ।

এনেদৰে জলৰাক্ষসে চন্দ্ৰকুমাৰ আৰু সূৰ্যকুমাৰ দুয়োকে মুক্তি দিলে।

তেতিয়া মহিংসাস কুমাৰে জলৰাক্ষসক ক'লে : পূৰ্বজন্মৰ পাপ কাৰ্যৰ বাবেই তুমি ৰাক্ষসৰূপে জন্ম লভিলা। এই জন্মতো যদি তুমি এই কাৰ্যকে কৰা তেনেহ'লে ভৱিষ্যত জীৱনতো তোমাৰ মুক্তি নহ'ব। গতিকে এতিয়াৰ পৰাই সৎপথত চলিবলৈ চেষ্টা কৰা।

মহিংসাসৰ কথা শুনি জলৰাক্ষসৰ ধৰ্মৰ প্ৰতি আগ্ৰহ জন্মিল। আৰু জলৰাক্ষসে তেওঁলোক তিনিজনৰ লগতে বাস কৰিবলৈ ধৰিলে।

তাৰ পাছত এদিন মহিংসাসে গ্ৰহ-নক্ষত্ৰৰ অৱস্থান গণনা কৰি জানিব পাৰিলে যে তেওঁৰ পিতৃৰ বিয়োগ হৈছে। তৎক্ষণাৎ তেওঁ দুই ভাইৰ সৈতে জলৰাক্ষসক লগত লৈ বাৰাণসী ৰাজ্যলৈ উভতি গ'ল।

মহিংসাস কুমাৰে ৰাজ্যভাৰ গ্ৰহণ কৰি চন্দ্ৰকুমাৰক মন্ত্ৰী আৰু সূৰ্যকুমাৰক সেনাপতি পদত নিয়োগ কৰি মহাসুখেৰে দিন পাৰ কৰিবলৈ ধৰিলে আৰু লগতে জলৰাক্ষসৰ বাবেও বসবাস আৰু ভৰণ-পোষণৰ সু-ব্যৱস্থা কৰি দিলে।

****************

# বোধিসত্ব আৰু মৰুভূমি

পুৰণি কালত বাৰাণসী নগৰত ব্ৰহ্মদত্ত নামেৰে এজন ৰজা আছিল। ৰজা ব্ৰহ্মদত্তৰ ৰাজত্ব কালতে বোধিসত্বই এজন সদাগৰৰ ঘৰত জন্মগ্ৰহণ কৰিছিল। বোধিসত্ব ডাঙৰ হৈ যেতিয়া নিজৰ ভৰিত থিয় দিব পৰা হ'ল, তেতিয়া তেওঁ পাঁচশ গৰুৰ গাড়ী লৈ বিভিন্ন ঠাইত ব্যৱসায় কৰি ফুৰিবলৈ ধৰিলে।

এনেদৰে ঘূৰি ফুৰোতে বোধিসত্বই এবাৰ এক বিশাল মৰুভূমিৰ পালেগৈ। সেই মৰুভূমিৰ বালিবোৰ ইমান মিহি আছিল যে, সেই বালি মুঠি মাৰি ধৰি ৰাখিব খুজিলে আঙুলিৰ ফাঁকেৰে সৰকি ওলাই গৈছিল। পূৱ আকাশত সূৰুযে দেখা দিয়াৰ লগে লগে মৰুভূমিৰ বালিবোৰ ধীৰে ধীৰে উত্তপ্ত হৈ পৰে আৰু অলপ সময়ৰ পিছতে সেই ঠাইখণ্ড পকা আঙঠাৰ দৰে হৈ পৰে। তেতিয়া কাৰ সাধ্য সেই মৰুভূমিৰ ওপৰেদি যাতায়ত কৰিব পাৰে ?

এই বিশাল মৰুভূমি কোনোবা পথিকে অতিক্ৰম কৰিব লগা হ'লে নিশাৰ ভাগতহে অতিক্ৰম কৰিছিল। দিনত পথিকসকলে বিশ্ৰাম লয়। তেওঁলোকে লগত পানী, চাউল, দাইল, খৰি আদি সকলো বস্তু লৈ যায়। যেতিয়া পূৱত বেলিয়ে ভুমুকি মাৰে তেতিয়া তেওঁলোকে গাড়ীৰ পৰা বলদবোৰ খুলি দিয়ে। গাড়ীবোৰ বৃত্তৰ দৰে ৰাখি সেই বৃত্তৰ মাজত পথিকসকলে তম্বু আদি তঁৰি লয় আৰু পুৱাতে আহাৰ আদি খাই দিনটো তম্বুৰ তলত থাকি বিশ্ৰাম কৰে। পুনৰ সন্ধ্যা বেলি ডুবাৰ লগে লগে আহাৰ গ্ৰহণ কৰি যাত্ৰা আৰম্ভ কৰে। সাগৰত নাবিকসকলে যিদৰে আকাশৰ তৰা চাই দিক্ নিৰ্ণয় কৰে, এই মৰুভূমিৰ মাজতো পথিকসকলে নক্ষত্ৰ চাই পথ নিৰ্ধাৰণ কৰিবলগীয়া হয়। তেওঁলোকৰ লগত একজন পথ প্ৰদৰ্শকো থাকে। তেঁৱেই পথ দেখুৱাই পথিকসকলক আগবঢ়াই নিয়ে।

বোধিসত্বই যিদিনা সেই বিশাল মৰুভূমিৰ ঊনষাঠী যোজন অতিক্ৰম কৰি গ'ল, সেইদিনা তেওঁ এক আনুমানিক হিচাপ কৰি দেখে যে, কেৱল সেই নিশাটো যাত্ৰা কৰিলেই তেওঁলোক মৰুভূমিৰ সীমা অতিক্ৰম কৰিব। সেইকাৰণে বোধিসত্বই সন্ধ্যাৰ আহাৰ গ্ৰহণ কৰাৰ পিছত দলৰ আটাইকে অতিৰিক্ত পানী, কাঠ-খৰি প্ৰভৃতি অনেক দ্ৰব্য পেলাই দিবলৈ ক'লে। কাৰণ মৰুভূমি অতিক্ৰম কৰাৰ পিছতে সেইবোৰ পৰ্যাপ্ত পৰিমাণে পোৱা যাব। এতেকে সেইবোৰৰ ভাৰ বহন কৰাৰ নো কি আৱশ্যক !

বোধিসত্ত্বৰ নিৰ্দেশমতে দলৰ আটায়ে অনাৱশ্যক বুলি ভাবি বোজাবোৰ কমাই যাবলৈ ধৰিলে। দলটোত যিখন গাড়ী আটাইতকৈ আগত আছিল, সেইখন গাড়ীতে পথপ্ৰদৰ্শকজন আছিল আৰু কোনফালে যাব লাগিব তেওঁ আকাশৰ তৰা চাই নিৰ্দেশ দি গৈছিল।

পথ প্ৰদৰ্শকজন কেইবাদিনো ভালদৰে শুব পৰা নাছিল অৰ্থাৎ তেওঁৰ কেইবাদিনো ধৰি একে লেঠাৰিয়ে টোপনি ক্ষতি হৈছিল। সেইকাৰণে তেওঁ অলপ দূৰ আগবাঢ়ি যোৱাৰ পিছতে টোপনিত লালকাল হৈ শুই পৰিল। পথত গৰুবোৰে নিজ ইচ্ছাৰে যেনি-তেনি যাবলৈ ধৰিলে। কিন্তু গোটেইবোৰ গাড়ী ঘূৰাই পুনৰ শাৰীবদ্ধ কৰি আগবাঢ়িবলৈ যো-জা কৰোতেই পূৱ আকাশত সূৰ্যই দেখা দিলে। তেতিয়াহে আটায়ে লক্ষ্য কৰি দেখে যে সন্ধিয়া তেওঁলোক যি ঠাইৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল, পুনৰ আহি সেই ঠাইত উপস্থিত হৈছেহি। আটায়ে হাহাকাৰ কৰি উঠিল। কাৰণ তেওঁলোকে পৰ্যাপ্ত পৰিমাণে পানী, খৰি আদি ইতিমধ্যেই নষ্ট কৰি পেলাইছে। এতিয়া তেওঁলোকে কিদৰে জীৱন ৰক্ষা কৰিব, ইয়াকে ভাবি আটায়ে হতাশ হৈ পৰিল আৰু গাড়ীৰ পৰা বলদবোৰ খুলি দি গাড়ীবোৰৰ তলে তলে প্ৰত্যেকেই শুই পৰিল।

বোধিসত্বই ভাবিলে : মই যদি নিশ্চেষ্ট হৈ বহি থাকো, তেন্তে ইহঁতৰ কোনোৱেই বাচি নাথাকিব। এই পুৱাৰ সময়ত মৰুভূমি উত্তপ্ত হৈ পৰা পূৰ্বেই এবাৰ চাৰিওফালে চাই আহোঁ, জানোচা ক'ৰবাত পানীৰ সন্ধান পাওঁৱেই।

বোধিসত্বই পানীৰ সন্ধানত ওলাল। এঠাইত তেওঁ এজোপা কুশ বন দেখা পালে। মৰুভূমিৰ মাজত এনেদৰে কুশ বন গজি থকা দেখি তেওঁ নিশ্চিত হ'ল যে সেই ঠাইৰ তলত নিশ্চয় পানী আছে। তেওঁ ততালিকে অনুচৰ বৰ্গক সেই ঠাইখণ্ড খান্দিবলৈ নিৰ্দেশ দিলে।

বোধিসত্বৰ নিৰ্দেশ মানি আটায়ে উৎসাহেৰে সেই ঠাইখণ্ড খান্দিবলৈ আৰম্ভ কৰিলে। কিন্তু ষাঠি হাত মান খন্দাৰ পাছতো যেতিয়া পানী পোৱা নগ'ল, তেতিয়া আটায়েই হতাশ হৈ পৰিল। পানীৰ পৰিৱৰ্তে ষাঠি হাত তলত প্ৰকাণ্ড-প্ৰকাণ্ড শিলহে পোৱা গ'ল।

কিন্তু বোধিসত্বই আশা এৰি নিদিলে। তেওঁ গাঁতটোৰ ভিতৰলৈ সোমাই গৈ শিলবোৰৰ ওপৰত কাণ পাতি কি বা শুনিবলৈ চেষ্টা কৰিলে আৰু শিলৰ তলেৰে পানী বৈ যোৱাৰ শব্দ শুনি তেওঁৰ মন আনন্দতে নাচি উঠিল। তেওঁ লগে-লগে ওপৰলৈ উঠি আহিল আৰু তেওঁৰ ব্যক্তিগত ভৃত্যজনক উদ্দেশি ক'লে : এতিয়া তোৰ ওপৰতে ভৰসা। তই হতাশ হৈ পৰিলে আটায়ে ভোকে-পিয়াহে প্ৰাণ হেৰুৱাব। তই এই হাতুৰীটো লৈ তললৈ নামি যা, আৰু শিলবোৰৰ ওপৰত আঘাত কৰি ভাঙিবলৈ চেষ্টা কৰ। পানী নিশ্চয় ওলাব।

ভৃত্যটো কমবয়সীয়া আৰু উৎসাহী আছিল। আনবোৰৰ দৰে সহজে আশা এৰি দিয়া বিধৰ নাছিল। সি বোধিসত্বৰ হাতৰ পৰা হাতুৰীটো লৈ তললৈ নামি গ'ল আৰু শিলত আঘাত কৰিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে শিলবোৰ ডোখৰ ডোখৰ কৰি ভাঙিবলৈ সমৰ্থ হ'ল। লগে-লগে তলৰ পৰা স্তম্ভৰ আকাৰত পানী ওপৰলৈ উঠি আহিল, যাক প্ৰস্ৰৱন বুলি কোৱা হয়। এই প্ৰস্ৰৱন দেখি মানুহবোৰৰ আনন্দ চায় কোনে ? আটায়ে সেই পানীত আনন্দ

মনেৰে গা-পা ধুলে। তদুপৰি গাড়ীবোৰত যিবোৰ অতিৰিক্ত কাঠৰ ধুৰাবোৰ আছিল, সেই ধুৰাবোৰ ফালি খৰি উলিয়াই তাৰে ৰন্ধা-বঢ়া কৰিলে।

দিনটো কোনো বিঘিনি নোহোৱাকৈ পাৰ হ'ল। সন্ধ্যাৰ লগে লগে পুনৰ আটায়ে যাত্রা আৰম্ভ কৰিলে। গন্তব্যস্থানত উপস্থিত হৈ বোধিসত্ব আৰু অনুচৰ বৰ্গই তেওঁলোকৰ পন্যদ্রব্যসমূহ দুগুণ তিনিগুণ দামত বেচি আনন্দ মনেৰে স্বদেশলৈ উভতিল।

*****************

# সেৰিবান জাতক

অতি পুৰণি কালত সেৰিব নামৰ এখন ৰাজ্যত বোধিসত্বই এজন সাধাৰণ ব্যৱসায়ী ৰূপে বসবাস কৰিছিল। ফেৰিৱালাৰ দৰে তেওঁ ঘৰে-ঘৰে বয়-বস্তু বিক্ৰী কৰি ফুৰিছিল। তেতিয়া তেওঁৰ নাম আছিল সেৰিবান। সেই সময়তে আন এজন ব্যৱসায়ীয়েও সেৰিবানৰ দৰে ঘৰে-ঘৰে বয়-বস্তু বিক্ৰী কৰি ফুৰিছিল। তেওঁৰ নাম আছিল সেৰিবা। সেৰিবা অত্যন্ত লোভী আৰু অসৎ আছিল।

এদিন বোধিসত্বই সেৰিবাৰ সৈতে আন এখন ৰাজ্যত ব্যৱসায় কৰিবলৈ ওলাল। সেইখন ৰাজ্যৰ নাম আছিল অন্ধপুৰ নগৰ। অন্ধপুৰ নগৰত প্ৰবেশ কৰি বোধিসত্ব আৰু সেৰিবা দুয়ো কোন কোন পথেৰে ব্যৱসায় কৰিব ভাগ কৰি ল'লে। তদুপৰি দুয়ো এটা কথাত সন্মত হ'ল যে এজনে এটা পথেৰে এবাৰ ব্যৱসায় কৰি যোৱাৰ পাছত দ্বিতীয়জনেও সেই পথেৰে ব্যৱসায় কৰিবলৈ যাব পাৰিব।

অন্ধপুৰত পুৰণি কালত এক ঐশ্বৰ্যশালী পৰিয়ালে বাস কৰিছিল। কালক্ৰমত দৈৱকোপত পৰি সেই পৰিয়ালৰ সমস্ত ঐশ্বৰ্য-সম্পত্তি নাশ হৈ পথৰ ভিকহুত পৰিণত হ'ল। পৰিয়ালটোৰ যিসকল পুৰুষ আছিল সেই সকলো মৃত্যু মুখত পৰিল। বাচি আছিল কেৱল এজনী সৰু ছোৱালী আৰু ছোৱালীজনীৰ বুঢ়ী আইতাক। তেওঁলোকে অতি কষ্টেৰে ওচৰ চুবুৰীয়াৰ ঘৰত ইটো-সিটো কৰি দি নিজৰ পেটৰ ভাত মুঠি মোকলাইছিল। তেওঁলোকৰ সুখৰ কালত ঘৰৰ মূল গিৰীহঁতজনে যিখন সোণৰ থালত ভাত খাইছিল, সেই থালখন তেতিয়াও তেওঁলোকৰ হাতত আছিল। কিন্তু বহুদিন ধৰি থালখন এনেয়ে পৰি থকাৰ ফলত সেইখন ক'লা পৰি সাধাৰণ থালৰ দৰে হৈ পৰিছিল। তদুপৰি সেইখন ভঙা বাচন-বৰ্তনৰ মাজত পেলাই ৰাখিছিল।

এদিন সেই বাটেৰেই সেৰিবা নামৰ লোভী ব্যৱসায়ীজন ‘কিবা বস্তু কোনোবাই ল’ব নেকি’ বুলি চিঞৰি-চিঞৰি গৈ আছিল। তাকে শুনি ছোৱালীজনীয়ে আইতাক গৈ ক’লে : আইতা মোক খাৰু-মণি অলপ কিনি দিয়া।

আইতাকে নতিনীয়েকৰ কথা শুনি দীঘল হুমুনিয়াহ এটা এৰি ক’লে : বাছা, আমি দুখীয়া মানুহ। সেইবোৰ কিনিবলৈ আমাৰ হাততনো পইছা ক’ত আছে ?

আইতাকৰ কথা শুনি নাতিনীয়েকে লৰি ভিতৰলৈ গ’ল আৰু ভঙা বাচনৰ মাজৰ পৰা সেই সোণৰ থালখন উলিয়াই আনি আইতাকক দেখুৱাই ক’লে : আইতা, ফেৰিৱালাজনক মাতি এই থালখন দেখুৱাবাচোন। ইয়াৰ সলনি মই তেতিয়া খাৰু-মণি ল’ব পাৰিম। এই থালখনতো আমাৰ কোনো কামত নালাগে।

বুঢ়ীয়ে অৱশেষত লোভী ব্যৱসায়ীজনক মাতি আনি থালখন দেখুৱাই ক’লে : তুমি এইখন ল’ব পাৰা নেকি চোৱাচোন! ইয়াৰ বিনিময়ত মোৰ এই নাতিনীজনীক দুই-এপদ খাৰু-মণি দি যোৱা।

সেৰিবাই থালখন লুটিয়াই-বগৰাই চাই বুজিলে যে সেইখন সোণৰ। তেওঁ সেইখন এক পইছাও নিদিয়াকৈ নিব পাৰি নেকি তাকে ভাবিবলৈ ধৰিলে আৰু পিছ মুহূৰ্ততে এটা কপট হাঁহি মাৰি তেওঁ ক’লে : এইখনৰ আকৌ কিহৰ দাম ? সাধাৰণ দুই পইছা মূল্য দি কিনিলেও মোৰ লাভ নহ’ব। এইবুলি অৱজ্ঞাৰ ভাৱ দেখুৱাই তেওঁ তাৰপৰা আঁতৰি গ’ল।

ব্যৱসায়ীজন আঁতৰি যোৱাৰ অলপ সময়ৰ পাছতে বোধিসত্বও সেইটো বাটেৰে ঘৰে-ঘৰে বস্তু বেচি আহি আছিল। বুঢ়ীৰ ঘৰৰ ওচৰ চপাৰ লগে-লগে বুঢ়ীৰ নাতিনীয়েকে পুনৰ বুঢ়ীক খাৰু-মণি কিনি দিবৰ বাবে আমনি কৰিবলৈ ধৰিলে।

: কিহেৰেনো তোক খাৰু-মণি কিনি দিওঁ? যিবা থাল এখন আছিল, তাৰো হেনো এপইছাও দাম নাই। আমাৰনো আৰু কি আছে আইজনী, যাক বেচি তোৰ খাৰু-মণি কিনি দিব পাৰো ? – আইতাকে ক'লে।

: নহয় আইতা, আগৰ ব্যৱসায়ীজন ভাল নাছিল। তাৰ মুখ দেখিলেই ধূৰ্ত যেন লাগে। কিন্তু এই ব্যৱসায়ীজন ভাল হ'ব যেন লাগিছে আইতা ! চোৱাচোন, মানুহজনৰ মাতটোও মিঠা। এইজনে নিশ্চয় থালখন লৈ আমাক অলপ হ'লেও মূল্য দিব।

নাতিনীয়েকৰ কথা শুনি বুঢ়ীয়ে বোধিসত্বক হাত বাউল দি মাতিলে। বোধিসত্ব আহিল। বুঢ়ীয়ে থালখন বোধিসত্বৰ হাতত দি ক'লে : বোপাই, এই থালখন চোৱাচোন, ইয়াৰ বিনিময়ত দুপইছামান পামনে ?

বোধিসত্বই থালখন হাতত লৈয়েই বুজিলে যে সেইখন সোণেৰে তৈয়াৰী। তেওঁ বুঢ়ীক উদ্দ্যেশি ক'লে : আই, এই থালখনৰ মূল্য লাখ মুদ্ৰাৰো অধিক। এইখন কিনিবলৈ মোৰ হাতত ইমান ধন নাই।

: বোপাই, তুমি অহাৰ আগে-আগে আৰু এজন ফেৰিৱালা আহিছিল। তেওঁ দেখোন থালখন চাই ক'লে যে ইয়াৰ মূল্য এসিকিও নহয়। বোধহয় আপোনাৰ দৰে মহাত্মাৰ হাত লাগি থালখন সোণৰ হৈ পৰিছে। সোণৰেই হওঁক বা পিতলৰ হওঁক, মই এইখন তোমাকে দিম। ইয়াৰ বিনিময়ত তোমাৰ যি ইচ্ছা তাকে দিয়া। - বুঢ়ীয়ে ক'লে।

বোধিসত্বৰ হাতত তেতিয়া কেৱল পাঁচশ কাহন আৰু সেই মূল্যৰ পণ্যদ্ৰব্য আছিল। তেওঁ তাৰ পৰা কেৱল আঠ কাহন আৰু দগা-পাল্লাযোৰ ৰাখি বাকী সমস্ত ধন আৰু দ্ৰব্য বুঢ়ীৰ হাতত গতাই দিলে। তাৰপিছত সেই ঠাইৰ পৰা আঁতৰ হৈ যিমান সোনকালে পাৰে নদীৰ পাৰত উপস্থিত হ'লগৈ। সেই ঠাইত এখন নাও আছিল। তেওঁ সেই নাৱত উঠি নাৱৰীয়াক আঠ কাহন দি ক'লে, মোক যিমান সোনকালে পাৰা নৈখন পাৰ কৰি দিয়া।

ইফালে লোভী ব্যৱসায়ী সেৰিবা পুনৰ বুঢ়ীজনীৰ ঘৰলৈ আহি বুঢ়ীক উদ্দেশি ক'লে : চাওঁ থালখন দিয়াচোন ! পুনৰ উভতি আহিলো। তোমালোকক ইয়াৰ পৰিৱৰ্তে যদি একো দি নাযাওঁ তেন্তে মোক পাপে চুব।

ব্যৱসায়ীৰ কথা শুনি বুঢ়ীয়ে আচৰিত হৈ ক'লে : এয়া তুমি কি কৈছা বোপাই! তুমিয়েই দেখোন কৈ গৈছিলা যে ইয়াৰ মূল্য এসিকিও নহয়। এইমাত্ৰ এজন সাধু ব্যৱসায়ী আহিছিল। তেওঁ মোক সৰ্বমুঠ এহাজাৰ কাহন দি সেই থালখন লৈ গৈছে।

বুঢ়ীৰ কথা শুনি লোভী ব্যৱসায়ীজনৰ মূৰ ঘূৰি গ'ল। তেওঁ বলিয়াৰ দৰে নিজৰ সকলো বয়-বস্তু, ধন-সোণ আদি চাৰিওফালে দলিয়াই পেলালে আৰু অৱশেষত সম্পূৰ্ণ উলংগ হৈ নদীৰ পাৰলৈ লৰি গ'ল। ইতিমধ্যে বোধিসত্বৰ নাওঁ গৈ নদীৰ মাজ পাইছিলগৈ। তাকে দেখি লোভী বণিকজনে 'নাও ঘূৰাই আনা' – 'নাও ঘূৰাই আনা' বুলি চিঞৰিবলৈ ধৰিলে; কিন্তু বোধিসত্বই নাও নুঘুৰালে। নাওঁ ইটো পাৰৰ ফালে আগুৱাই গৈ থাকিল। লোভী বণিকজনে নৈৰ পাৰতে থিয় হৈ হতাশাৰ দৃষ্টিৰে বোধিসত্ব যোৱাৰ ফালে চাই ৰ'ল। এটা সময়ত তেওঁৰ বুকুত এক ভয়ংকৰ যন্ত্ৰণা আৰম্ভ হ'ল। যন্ত্ৰণাত তেওঁ চিঞৰিবলৈ ধৰিলে। মুখেৰে হোলোকা-হোলোকে তেজ বাহিৰ হ'বলৈ ধৰিলে আৰু তেওঁ নৈৰ পাৰত সেই ঠাইতে প্ৰাণত্যাগ কৰিলে।

********************

# সমাপ্তি

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত ।

প্ৰকাশ : ২৩-০২-২০১৯

প্ৰচ্ছদৰ সৌজন্য : পিক্সাবে’।

ঠিকনা : pixabay.com/en/buddha-zen-wellness-buddhism-rest-708683

এই গ্ৰন্থখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য বিষয়ৰ বাবে অনুগ্ৰহ কৰি "nibirborpuzari@gmail.com" ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।